प्रेस प्रकाशनी PRESS RELEASE

भारतीय रिज़र्व बैंक
RESERVE BANK OF INDIA
वेबसाइट : www.rbi.org.in/hindi
Website : www.rbi.org.in
इ-मेल email: helpdoc@rbi.org.in

संचार विभाग, केंद्रीय कार्यालय, एस.बी.एस.मार्ग, मुंबई-400001
DEPARTMENT OF COMMUNICATION, Central Office, S.B.S.Marg, Mumbai-400001
फोन/Phone: 022 2261 0835 फैक्स/Fax: 91 22 22660358

২৯ মাৰ্চ, ২০১৮

**ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ আইচিআইচিআই বেঙ্কৰ ওপৰত আৰ্থিক জৰিমনা আৰোপ**

ভাৰতীয় ৰিজাৰ্ভ বেঙ্কে ২৬ মাৰ্চ, ২০১৮ তাৰিখৰ নিৰ্দেশৰ জৰিয়তে আইচিআইচিআই বেঙ্ক লিমিটেডক (বেঙ্ক) ইয়াৰ এইচ টি এম পৰ্টফলিঅৰপৰা প্ৰতিভূতি প্ৰত্যক্ষ বিক্ৰী আৰু নিৰ্দিষ্ট প্ৰকাশৰ ক্ষেত্ৰত ৰিজাৰ্ভ বেঙ্কৰদ্বাৰা জাৰি কৰা নিৰ্দেশনাক লঙ্ঘন কৰাৰ বাবে ₹ ৫৮৯ মিলিয়নৰ আৰ্থিক জৰিমনা বিহিছে। এই জৰিমনা, ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰদ্বাৰা জাৰি কৰা উপৰোক্ত নিৰ্দেশ/দিশনিৰ্দেশবিলাকক পালন কৰাত বিফল হোৱাৰ প্ৰতি লক্ষ্য ৰাখি, ভাৰতীয় ৰিজাৰ্ভ বেঙ্কক ন্যস্ত কৰা বেঙ্কিং ৰেগুলেচন আইন, ১৯৪৯ৰ অধীনত ধাৰা ৪৭ক(১)(গ)ৰ পঠনৰ সৈতে ধাৰা ৪৬(৪)(i)ৰ ক্ষমতাৰ প্ৰয়োগেৰে কৰা হৈছে।

এই কাৰ্যটি নিয়ামক অনুপালন কৰাত হোৱা অপূৰ্ণতাৰ ওপৰত আধাৰিত আৰু ইয়াৰ উদ্দেশ্য বেঙ্কৰদ্বাৰা ইয়াৰ গ্ৰাহকৰ লগত হোৱা যিকোনো লেনদেন অথবা চৰ্তৰ ওপৰত প্ৰযোগ নহয়।

**জোচ জে কট্টুৰ মূথ**
**মহাপ্ৰবন্ধক**

**প্ৰেছ বিজ্ঞপ্তি: ২০১৭-২০১৮/২৫৯৩**